ছবিখন চোৱা আৰু তলৰ জ্যামিতিক আকৃতিবোৰৰ লগত মিল থকা আকৃতি কেইটাকৈ আছে লিখা



 ..................

 ..................

 ..................

 ত্ৰিভুজ..................


 ..................

 বৃত্ত..................

 ..................

 ..................


তলৰ বস্তুসমূহ জ্যামিতিক আকৃতিৰ লগত মিলোৱা



## কাগজেৰে চুঙা সাজোঁ আহা


- আয়তাকৃতিৰ কাগজ এখিলা লোৱা। তাত ৰং দিয়া। চিত্ৰত দেখুওৱাৰ দৰে কাগজখনত ক, খ, গ, ঘ লিখা।
- কাগজখিলা এনেদৰে মেৰিয়াই ধৰা যাতে ক, গ-ৰ লগত আৰু খ, ঘ-ৰ লগত লাগি থাকে।




- দুয়োমূৰে চেলোটেপেৰে আঠা লগাই দিয়া।
- এতিয়া এটা চুঙাকৃতিৰ কাগজ পাবা। ইয়াৰ খোলা মূৰ দুটা বৃত্তাকৃতিৰ হ'ব।
- এই মূৰ দুটাৰ জোখতকৈ অলপ ডাঙৰ জোখৰ দুটুকুৰা বৃত্তাকৃতিৰ কাগজ কাটি লোৱা।
- বৃত্তাকৃতিৰ কাগজ দুখিলা চুঙাৰ দুয়োটা মূৰত আঠাৰে লগাই দিয়া।

তুমি কাগজৰ চুঙা এটা পালানে?




**আয়তাকৃতিৰ এখিলা কাগজেৰে নাও সাজো আহা (শিক্ষক/শিক্ষয়িত্ৰীসকলে ছবি অনুসাৰে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা নাওখন সজাব)**

১. 

২. 


৩. 

৪. 

৫. 

৬. 

৭. 

৮. 

৯. 

১০. 

১১. 

১২. 

- নাওখন আকৌ খুলি পেলোৱা। কাগজ খিলাত বিভিন্ন জ্যামিতিক আকৃতি লক্ষ্য কৰা।
- কোনবিধ আকৃতি কেইটাকৈ আছে লিখা।

**মিঠাইৰ খালী বাকচ দুটা লোৱা। তাৰে এটা বাকচ খুলি লোৱা। এতিয়া নোখোলা বাকচটোৰ লগত খুলি পেলোৱা বাকচটোৰ তুলনা কৰা। কি পালা?**


তলৰ চিত্ৰবোৰত আকৃতি অনুযায়ী ৰং কৰোঁ আহা

বৃত্তাকৃতিত ৰঙা ৰং

ত্ৰিভুজাকৃতিত নীলা ৰং


বৰ্গাকৃতিত হালধীয়া ৰং

আয়তাকৃতিত সেউজীয়া ৰং




## কাষ আৰু চুক

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সৰু সৰু দলত ভগাব আৰু তলত দিয়া মতে কামবোৰ কৰিবলৈ দিব।




- প্ৰতিটো দলত একোটাকৈ লুডুৰ পাশতি দিব
- লুডুৰ পাশতিৰ তল কেইখন চুই চাবলৈ দিব।
- প্ৰতিখন তল সমান নে অসমান মন কৰিবলৈ দি . .
- এতিয়া এখন তল আঁকিবলৈ দিব।
- যিখন তল আঁকিব সেইখন মন কৰিবলৈ দিব আৰু বুজাই দিব যে ইয়াৰ




- **চাৰিটা কাষ সমান**
- **চাৰিটা চুক সমান**

- সিহঁতে অঁকা আকৃতিটো এটা **বৰ্গ**।
- ইয়াৰ কাষবোৰেই হ'ল বৰ্গটোৰ **বাহু**।

একেদৰে এখন কিতাপ দলত দি চুই চাবলৈ দিব আৰু কিতাপখনৰ এখন তল আঁকিবলৈ দিব আৰু বুজাই দিব যে সিহঁতে আঁকি পোৱা আকৃতিটো হ'ল **আয়ত**।







- **ইয়াৰ বিপৰীত কাষবোৰ সমান।**
- **এই কাষবোৰেই হ'ল আয়তৰ বাহু।**
- **ইয়াৰ চাৰিটা চুক সমান।**

এইবাৰ এটা চুপি লৈ তলত দিয়া ধৰণে আঁকিবলৈ দিব। আঁকি পোৱা আকৃতিটো এটা **বৃত্ত**।


**বৃত্তৰ কাষ নাই**

**বৃত্তৰ চুক নাই**





## বুজি লওঁ আহা








**তলৰ ছবিখন চাই শুদ্ধ উত্তৰটোত (✓) চিন দিয়া**

- ছোৱালীজনীয়ে আলমাৰীটোৰ কাষত/চুকত ধৰি আছে।
- নিগনিটো বাকচটোৰ কাষত/চুকত আছে।
- মেকুৰীটোৰ নেজডাল বাকচটোৰ কাষত/চুকত লাগি আছে।




*শিক্ষকলৈ নিৰ্দেশনা ঃ আয়তীয় ঘনক আকৃতিৰ বস্তু এটা লৈ ছাত্ৰ-ছাত্ৰীক তল, কাষ আৰু চুকৰ ধাৰণা দিব*

চুক আৰু কাষ অনুযায়ী তলৰ তালিকাখন পূৰ কৰা


| বস্তু | কাষৰ সংখ্যা | চুকৰ সংখ্যা |
|---|---|---|
|  | | |
|  | | |
|  | | |
|  | | |
|  | | |
|  | | |
|  | | |
|  | | |
|  | | |

## নিজে কৰি চোৱা

**১ম কাম ঃ** চাৰিকোণীয়া আকৃতিৰ কাগজ এখিলা লোৱা।




**২য় কাম ঃ** চিত্ৰত দেখুওৱাৰ দৰে কাগজখিলাত আঁচ টানা।





**এই আঁচ দুডালক কৰ্ণ বুলি কোৱা হয়**


**তলৰ ছবিবোৰ চাই কাষ, চুক আৰু কৰ্ণৰ সংখ্যা উলিওৱা**



কাষ..............
চুক..............
কৰ্ণ ..............




কাষ..............
চুক..............
কৰ্ণ ..............



কাষ..............
চুক..............
কৰ্ণ ..............

## নিজে কৰি চোৱা


আয়ত এটা চিত্ৰত দেখুওৱা ধৰণে দুটা ভাগ কৰি লোৱা। দুটা তিনিকোণীয়া আকৃতি পালা। এতিয়া এই তিনিকোণীয়া আকৃতি দুটা বেলেগে বেলেগে আঁকি দেখুওৱা।



(ক) (খ)

'ক' আৰু 'খ' আকৃতি কেইটাৰ নাম কি?


ফুটবোৰ লগ লগাই কি কি নক্সা পালোঁ চাওঁ আহা




চিত্ৰখন সম্পূৰ্ণ কৰা



সৰল আৰু বক্ৰ ৰেখা ব্যৱহাৰ কৰি ফুটবোৰ লগ লগাই কেইটামান নক্সা আঁকা




### টেনগ্ৰাম কি জানি লওঁ আহা





- 'টেনগ্ৰাম' হ'ল চীনদেশৰ পুৰণি সাঁথৰ য'ত এটা বৰ্গত ৭ টা টুকুৰা থাকে। কাষত এটা টেনগ্ৰামৰ চিত্ৰ দিয়া হৈছে।
- টেনগ্ৰামৰ টুকুৰাবোৰ কাটি উলিয়াই বিভিন্ন ধৰণে একলগ কৰি কিছুমান আমোদজনক নমুনা সাজিব পাৰিবা।


### টেনগ্ৰামৰ টুকুৰাবোৰ কাঁটো আহা




### টেনগ্ৰামৰ টুকুৰাবোৰ চাওঁ আহা



### টেনগ্ৰামৰ টুকুৰাৰে সজা কেইটামান নমুনা চাওঁ আহা





তুমি নিজেও টেনগ্ৰামৰ টুকুৰাৰে এনে কিছুমান নমুনা সাজিবলৈ চেষ্টা কৰা।


আমাৰ চাৰিওফালে দেখি থকা মজিয়া, পদপথ আদিত বিভিন্ন আকৃতিৰ টালিৰ ব্যৱহাৰ কৰা হয়।

তলৰ ছবিত কেইটামান টালিৰ চানেকি চাওঁ আহা














টালিত ব্যৱহাৰ হোৱা বিভিন্ন আকৃতিবোৰ চাওঁ আহা


















টালিৰ চানেকিবোৰ সম্পূৰ্ণ কৰা











চেষ্টা কৰা




কিমানটা △ গণিব পাৰিবা ?



কিমানটা □ গণিব পাৰিবা ?

**তলৰ ছবিখন চাই প্ৰশ্নবোৰৰ উত্তৰ দিয়া**



ল'ৰাজনৰ ঘৰৰ পৰা ডাকঘৰটো **ওচৰত** নে বিদ্যালয়খন **ওচৰত** ?

বজাৰলৈ যোৱাৰ বাটত হাস্পতালখন ল'ৰাজনৰ **সোঁফালে** নে **বাঁওফালে** হ'ব ?

স্কুল ঘৰৰ **পিছফালে** থকা আম জোপাত কেইটা আম আছে গণনা কৰা।

বজাৰৰ ওচৰত থকা গছজোপাৰ **তলত** কি আছে?

ল'ৰাজনৰ ঘৰৰ পৰা ওলালে বিদ্যালয়খন তেওঁৰ **সোঁফালে** নে **বাঁওফালে** ?